5016

Q. Discuss the significance of the Bhumi-sukta of the AV.

⇒ বৈদিক বাঙ্ময়ৰ ইতিহাসত অথৰ্ববেদৰ সৰ্বথা প্ৰাধান্য দেখা যায়। এই বেদৰ দ্বাদশ কাণ্ডৰ প্ৰথম অনুবাকৰ অন্তৰ্গত প্ৰথম সূক্তটো পৃথিৱীসূক্ত নামেৰে প্ৰসিদ্ধ। ইয়াত ঋষি অথৰ্বাই পৃথিৱীৰ মাহাত্ম্য বৰ্ণনা কৰি তেওঁক দেৱীৰূপে স্তুতি কৰিছে। উক্ত সূক্তৰ আলোচ্য বিষয়বস্তু সংক্ষেপে এনেধৰণৰ—

পৃথিৱী দেৱী সত্য, ব্ৰহ্ম, দীক্ষা, যজ্ঞ ইত্যাদিৰ দ্বাৰা ধৃত। ভূত আৰু ভৱিষ্যত কালৰ ৰক্ষিতা তথা উচ্চ-নীচ, সমতল আদি অনেক স্থান এই পৃথিৱীতেই পৰিলক্ষিত হয়। অনেক ঔষধি বৃক্ষ, মহাসমুদ্ৰ, নদী, জল আদি সকলো এই পৃথিৱীতেই আশ্ৰিত। আমাৰ পূৰ্বপুৰুষসকলৰ বিচৰণ ভূমি ইয়াতেই দেৱতাসকলে অসুৰসকলক পৰাজিত কৰিছিল। গো, অশ্ব, পক্ষীকুল ইত্যাদি সকলোৰে নিবাসস্থল এই পৃথিৱী সকলো প্ৰাণীৰ ভৰণ-পোষণ কৰ্তা আৰু ধনসম্পদ ধাৰণ কৰোতা। গতিশীল জলপ্ৰবাহ অহৰ্নিশে সমান গতিৰে ইয়াৰ বুকুতেই প্ৰবাহিত হৈছে। সু-উচ্চ তথা তুষাৰাবৃত পৰ্বত, অৰণ্য আদি সকলো ইয়াৰ প্ৰভাৱতেই সু-যুক্ত।

পৃথিৱীদেৱীৰ বক্ষস্থলত সৃষ্টি হোৱা অন্ন-জল আদিৰ দ্বাৰা মনুষ্যাদি প্ৰাণীসকল প্ৰাণৱন্ত হয়।

অশেষ গুণযুক্তা এই পৃথিৱী সকলোৰে জননীস্বৰূপা ঔষধি বৃক্ষবোৰৰ মাতৃস্বৰূপা, সকলো প্ৰকাৰৰ কল্যাণকাৰিনী আৰু সুখ প্ৰদাতা। ইয়াৰ বক্ষস্থলত সৃষ্টি হোৱা গোন্ধৰ দ্বাৰা অপ্সৰা, গন্ধৰ্ব আদি সকলো সুগন্ধিত। সুপবিত্ৰ, ক্ষমাশীল তথা মন্ত্ৰ আদিৰ দ্বাৰা পৰিবৰ্দ্ধিত এই পৃথিৱীতেই গ্ৰীষ্ম আদি ছয় ঋতু, সোমৰস নিষ্কাসন, যজ্ঞবেদী নিৰ্মাণ আদি সম্ভৱ। এই পৃথিৱী সজ্জন-দুৰ্জন মূৰ্খ আদিৰ আশ্ৰয় স্বৰূপা, সকলোৰে বিস্তাৰকাৰিনী আৰু মনোৰথ পূৰণ কৰোতা। ইয়াতেই সৃষ্টি হোৱা অনেক ঔষধি বৃক্ষৰ দ্বাৰা মানুহে যক্ষ্মাদি ৰোগৰ পৰা বিমুক্ত হয়। দ্বিপদী, চতুষ্পদী সকলো প্ৰাণীৰ ধাৰণ কৰ্তা এই পৃথিৱীয়ে আমাৰ শত্ৰু সকলক বিনাশ কৰে। সকলো প্ৰকাৰৰ সুখ দান কৰোতা তেওঁ আমাক মধুৰতা প্ৰদান কৰে। এনে অশেষ গুণযুক্ত পৃথিৱী দেৱীয়ে আমাৰ সকলোৰে প্ৰতি মুহূৰ্ত্তে ই আমালৈ বল-বীৰ্য, ধন-সম্পদ আদি দান কৰক। বক্ষস্থলত অনেক প্ৰকাৰ ধন-সম্পদ ধাৰণ কৰোতা এই পৃথিৱীয়ে আমালৈ মণি, ৰত্ন-স্বৰ্ণ আদি দান কৰাৰ বাবে ঋষিয়ে প্ৰাৰ্থনা জনাইছে। মাইয়ে যেনেদৰে পুত্ৰৰ ভৰণ-পোষণ আদিৰে সৰ্বথা ৰক্ষা কৰে, তেনেদৰে পৃথিৱী দেৱীয়ো সমস্ত প্ৰাণীবৰ্গৰ ৰক্ষণা-বেক্ষণ তথা ভৰণ-পোষণ কাৰ্য সাধন কৰে। সেইবাবে পৃথিৱী আমাৰ মাতৃ আৰু আমি সমস্ত প্ৰাণীবৰ্গ তেওঁৰ পুত্ৰ। এইদৰে পৃথিৱীক মাতৃৰূপে

আৰু প্ৰাণীসকলক পুত্ৰৰূপে কল্পনা কৰি পৃথিৱী দেৱীক ইয়াত স্তুতি কৰা হৈছে। এই প্ৰসংগত ঋষিয়ে কৈছে -

“ভূমে মাতর্নিধেহি মা ভদ্ৰয়া সুপ্ৰতিষ্ঠিতম্,
তেনেদৰে - ‘মাতা ভূমিঃ পুত্ৰোঽহং পৃথিব্যাঃ’,

এইদৰে অথৰ্ববেদীয় ভূমি সূক্ত বা পৃথিৱী সূক্তত পৃথিৱী দেৱীক সকলোৰে ধাৰণকৰ্ত্ৰী, আশ্ৰয় প্ৰদাত্ৰী-ৰূপে সামগ্ৰিকভাৱে তেওঁৰ মাহাত্ম্য বৰ্ণনা কৰা হৈছে।

★ Summary of the hymn of सांमनस्य of the Atharvaveda:

⇒ বৈদিক বাঙ্ময়ৰ চাৰিবেদৰ ভিতৰত অথৰ্ববেদৰ এক বিশেষ মহত্ত্ব আছে। বিশটা কাণ্ডত বিভক্ত এই বেদৰ বিভিন্ন সূক্ত আধ্যাত্মিক জ্ঞানৰ উৎকৃষ্ট উদাহৰণ। অথৰ্ববেদৰ অন্তৰ্গত সাংমনস্য সূক্ত অৰ্থাৎ তৃতীয় কাণ্ডৰ ত্ৰিংশতিতম সূক্তত সকলো লোকৰ মাজত সদভাৱ তথা সৌহাৰ্দ্যৰ ভাৱনা ব্যক্ত/উল্লেখ কৰা হৈছে। এই সূক্তৰ ঋষি হৈছে অথৰ্ব। (লৌকিক জীৱনক সুখময় অৰ্থাৎ দুঃখৰহিত কৰিবৰ বাবে বিভিন্ন অনুষ্ঠানৰ বিধান অথৰ্ববেদত পোৱা যায়/উল্লেখ আছে। ইয়াত শান্তি তথা পৌষ্টিক কৰ্মৰ সৈতে সম্বন্ধিত বিভিন্ন সূক্ত পোৱা যায়, ইয়াৰ ভিতৰত সাংমনস্য সূক্ত অন্যতম।) জীৱনক সুখময় তথা শান্তিময় কৰিবৰ বাবে লৌকিক জীৱনত সকলোৰে লোকৰ মাজত সামঞ্জস্য থকাটো অতি আৱশ্যক। এই সূক্তটোত ঋষি অথৰ্বই ~~(কৈছে যে)~~ → বিবাদযুক্ত মনুষ্য সকলক ~~কৈছে~~ সমান হৃদয় যুক্ত, সমান মন যুক্ত আৰু দ্বেষৰহিত হৈ থাকিবলৈ কৈছে। পৰস্পৰে পৰস্পৰৰ সৈতে প্ৰেমেৰে থাকিব কৈছে যেনেদৰে গাইয়ে নিজৰ সন্তান/পোৱালীক মৰম কৰে। পুত্ৰই পিতৃৰ আজ্ঞাপালক হওক, মাতৃয়ে পুত্ৰৰ সৈতে সমান মনযুক্ত হওক, পত্নীয়ে ~~পতি~~ পতিৰ সৈতে মধুৰ তথা কল্যাণকাৰী বাণী কওক। লগতে

ভাতৃয়ে ভাতৃৰ সৈতে আৰু ভগ্নীয়ে ভগ্নীৰ সৈতে দ্বেষ ৰহিত হৈ থাকক বুলি আহ্বান জনাইছে। অৰ্থাৎ মানৱ জীৱনৰ সকলো লোকে পৰিয়ালৰ সৈতে, মিলাপ্ৰীতিৰে থাকক বুলি আহ্বান জনাইছে।